স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

২০২৪ চন □ VOL-13 □ NO-340 □ SATURDAY 17 FEBRUARY 2024 (ডিব্ৰুগড় সংস্কৰণ/DIB

## ডিএইচএছ কানৈত স্বচ্ছ-শূন্য আৱৰ্জনামুক্ত সৰস্বতী পূজা উদ্‌যাপন

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৬ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে এইবাৰ ১৪ ফেব্ৰুৱাৰীত এশ শতাংশ স্বচ্ছ, সেউজীয়া আৰু শূন্য আৱৰ্জনামুক্ত সৰস্বতী পূজা উদ্‌যাপন কৰে। ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু ডিব্ৰুগড় পৌৰসভাৰ সহযোগত অসম চৰকাৰৰ স্বচ্ছ ভাৰত মিছন সঞ্চালকালয় (নগৰ)ৰ পত্ৰ নং SBMU/155/2017/526 dtd. 09.02.2024 মৰ্মে প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় চৌহদত স্থায়ীভাৱে নিৰ্মিত মন্দিৰত এশ শতাংশ স্বচ্ছ, সেউজীয়া আৰু শূন্য আৱৰ্জনামুক্ত সৰস্বতী পূজা আয়োজন কৰে। পূজাস্থলীত ডিব্ৰুগড় পৌৰসভাৰ পৌৰপতি ডাঃ চৈকত পাত্ৰ আৰু কাৰ্যবাহী বিষয়া নভাস দাসে মহাবিদ্যালয়খন পৰিদৰ্শন কৰি সন্তোষ প্ৰকাশ কৰে আৰু হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সমাগম হোৱাৰ পিছতো মহাবিদ্যালয় চৌহদ এশ শতাংশ পৰিষ্কাৰ হৈ থকাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াক ভূয়সী প্ৰশংসা কৰে। পূজা-অৰ্চনা কৰা মন্দিৰস্থলীত 'স্বচ্ছ, সেউজীয়া আৰু এশ শতাংশ আৱৰ্জনামুক্ত' শ্ল'গানেৰে এটা ছেলফি পইণ্ট তৈয়াৰ কৰি দিয়াত ছাত্ৰ-ছাত্ৰীসকলে সেই ছেলফি পইণ্টত ফটো উঠাৰ বাবে প্ৰতিযোগিতা চলায়। কানৈ মহাবিদ্যালয়ৰ ছেলফি পইণ্টত পৌৰপতি আৰু কাৰ্যবাহী বিষয়াগৰাকীয়েও ছেলফি গ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ চৌহদত স্থায়ীভাৱে নিৰ্মাণ কৰা সৰস্বতী পূজা মন্দিৰৰ বাকী থকা কামখিনি পৌৰপতি ডাঃ চৈকত পাত্ৰই সম্পূৰ্ণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।



### অভিনয় শিল্পী হিচাপে ১৬জন

## নাজিৰাৰ ৰাজপথত স

**নিয়মীয়া বাৰ্তা, গেলেকী, ১৬ ফেব্ৰুৱাৰী ঃ** নাজিৰাত ১৪ ফেব্ৰুৱাৰীত লোক নিৰ্মাণ বিভাগৰ উদ্যোগত ৰাজপথৰ জনচক্ষুৰ আগত তুলি ধৰা বাটৰ নাটৰ দৃশ্যাংশই ৰাইজ আৰু পথচাৰীৰ দৃষ্টি আকৰ্ষণ কৰে। এগৰাকী বিধৱাৰ সাজত নাট্য চৰিত্ৰই দাঙি ধৰা উক্তিত পথ দুৰ্ঘটনাত স্বামীৰ মূৰ ফাটি নিহত হোৱাৰ কৰুণ পৰিণতিত পৰিয়াললৈ নামি অহা অমানিশাৰ বৰ্ণনা কৰি যায়। পত্নীক এৰি যোৱা স্বামীয়েও পত্নীৰ বুজনিৰ উৰ্ধত সুৰা সেৱন চলাই হেলমেট নিপিন্ধাকৈ দুৰ্ঘট কৰে। নাটখনৰ আকৰ্ষণৰ কেন্দ্ৰ পথ সুৰক্ষাৰ শ্লোগান দি অহা সমুখতে আঢ্যৱন্ত পৰিয়ালৰ যুৱ মূৰত পিন্ধাৰ পৰিবৰ্তে হাতত ওলোমাই লৈ সমদলকাৰীৰ সকীয়নি জনোৱাৰ দৃশ্য। এই দৃশ্যাংশৰ মাজ ঘটে ৰাজপথত সুৰাপায়ী

### জালুকপাৰাৰ শ্ৰী অগ্ৰসে

## ডিব্ৰুগড় জিলা সা

**নিয়মীয়া বাৰ্তা, টেঙাখাত, ১৬ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলা সাহিত্য সভাৰ একাদশ বিশেষ বাৰ্ষিক অধিৱেশন সামৰণি পৰে। লুইতপুৰীয়া (স্বৰ্ণ) শাখা সাহিত্য সভাৰ উদ্যোগত আদৰণী সমিতি আৰু ডিব্ৰুগড় লুইতপুৰীয়াবাসীৰ সহযোগত ১১ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ জালুকপাৰাৰ শ্ৰী অগ্ৰসেন মিলন মন্দিৰ প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ ২০২৪ বৰ্ষৰ একাদশ বিশেষ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। জিলা সাহিত্য সভাৰ উপ-সভাপতি ভদ্ৰেশ্বৰ গগৈ আৰু লুইতপুৰীয়া শাখা সাহিত্য সভাৰ সভাপতি ড° মহে গছপুলি ৰোপণ শুভাৰম্ভ কৰাৰ অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। সভাৰ পতাকা উত্তোলন কৰে জিলাৰ নোমল চন্দ্ৰ গগৈয়ে। স্মৃতি তৰ্পণ মুকলি কৰে অসম সাহিত্য সভাৰ কাৰ্য সদস্য পৰমেশ্বৰ নলবৰীয়াই। কাৰ্যনিৰ্বাহক সভাৰ পিছতে প্ৰতিনি অনুষ্ঠিত হয়। জিলাৰ সভাপতিৰ সভা অনুষ্ঠিত প্ৰতিনিধি সভাখন উদ্বোধন ক সাহিত্য সভাৰ সাংগঠনিক তথা